জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৮৬/২০২০

# মুখ্যমন্ত্ৰীৰ গাওঁ পঞ্চায়ত ক্ৰীড়া প্ৰতিযোগিতাৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক্ৰীড়া সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** 'পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰই ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াটোত ক্ৰীড়া ক্ষেত্ৰখনক অগ্ৰাধিকাৰ দি আহিছে। অৰ্থনৈতিকভাৱে শক্তিশালী আৰু অন্যান্য ক্ষেত্ৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰসমূহে ক্ৰীড়াৰ জৰিয়তে সমাজখনৰ স্বাস্থ্য শক্তিশালীভাৱে গঢ় দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ক্ৰীড়া অবিহনে সুস্বাস্থ্য আৰু সৰল মনৰ অধিকাৰী হ'ব নোৱাৰি।' আজি মহানগৰীৰ পল্টন বজাৰস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঞ্চলিক কেন্দ্ৰত ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে আয়োজন কৰা মুখ্যমন্ত্ৰীৰ গাওঁ পঞ্চায়ত ক্ৰীড়া প্ৰতিযোগিতা ২০১৯-২০ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক্ৰীড়া আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগ। ক্ৰীড়াক অৱহেলা কৰিলে সমাজখন দুৰ্বল হয়। এই কথা প্ৰতিগৰাকী ব্যক্তিয়ে উপলব্ধি কৰা উচিত। ভাৰতবৰ্ষৰ প্ৰতিগৰাকী জনসাধাৰণকে সুস্বাস্থ্যৰ গৰাকী কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিশালী চেতনা জগাই তুলিবলৈ 'ফিট ইণ্ডিয়া মুভমেন্ট'ৰ সূচনা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শৰীৰ সুস্থ হৈ থাকিলে মনৰ ইচ্ছা শক্তি বৃদ্ধি পায়। মুখ্যমন্ত্ৰীয়ে কয় যে মানুহৰ জীৱন সুন্দৰভাৱে পৰিচালনা কৰিব লাগিলে স্বাস্থ্যৰ ক্ষেত্ৰত যত্ন ল'ব লাগিব। নিৰোগী মানুহেহে জীৱনটো সুন্দৰভাৱে উপভোগ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে শান্তিৰ সন্ধানত মানুহ আজি পৃথিৱীৰ ভিন্ন ঠাইলৈ ধাৱমান হৈছে। সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ 'এই পৃথিৱী এক ক্ৰীড়াঙ্গন, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গন' শীৰ্ষক গীতৰ উক্তি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে শান্তিৰ বাবে নিজৰ শৰীৰৰ যত্ন ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰতিগৰাকী ব্যক্তি স্বাস্থ্যৱান হ'লে সমাজ আৰু ৰাষ্ট্ৰ স্বাস্থ্যৱান হয়।

৩৩ খন জিলাৰ পৰা অহা খেলুৱৈ সকলে আন্তৰিকতা, দৃঢ়তা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে নিজৰ স্বাস্থ্য শক্তিশালী কৰাৰ লগতে আনকো অনুপ্ৰাণিত কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলোৱে প্ৰথমস্থান দখলৰ লক্ষ্য স্থিৰ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে দক্ষতা, যোগ্যতা, দৃঢ়তাৰে নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিব। খেলত আন্তৰিকতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰম কৰিলেহে লক্ষ্য প্ৰাপ্তি পোৱা যায় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অসমৰ ক্ৰীড়া ক্ষেত্ৰক অধিক শক্তিশালী কৰিব বিচাৰিছে। যোৰহাটৰ ৫ বছৰীয়া গীতাঞ্জলিয়ে ১৫ কিঃমিঃ দৌৰি নিজৰ দৃঢ়তা, একাগ্ৰতা, শাৰীৰিক সুস্থতা প্ৰদৰ্শন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গীতাঞ্জলিক প্ৰশিক্ষণ দিয়াৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্যখনৰ চহৰ-নগৰ, চাহ বাগিচাকে ধৰি প্ৰতিটো প্ৰান্তৰৰ প্ৰতিভাসমূহ আৱিস্কাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ গাওঁ পঞ্চায়ত ক্ৰীড়া

প্ৰতিযোগিতাৰ লেখীয়া খেল অনুষ্ঠিত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে যিবোৰ ৰাষ্ট্ৰই ক্ৰীড়াৰ ক্ষেত্ৰত সুনাম কঢ়িয়াই আনিছে সেইবোৰ ৰাষ্ট্ৰত ল'ৰালি কালৰে পৰা ক্ৰীড়াৰ ক্ষেত্ৰত উদ্‌গণি যোগাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিক ধ্যান-ধাৰণাৰে আমাৰ ক্ৰীড়া প্ৰতিভাসমূহ আগুৱাই নিব লাগিব। এই ক্ষেত্ৰত ক্ৰীড়া বিজ্ঞান, মেডিচিন, অত্যাধুনিক প্ৰশিক্ষণ ইত্যাদিৰ জৰিয়তে ক্ৰীড়া ক্ষেত্ৰখনক আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক্ৰীড়া, শিক্ষা, সংস্কৃতি সমভাৱে আগুৱাই নিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিখন সমাজে এই তিনিওটা দিশ সমভাৱে আগুৱাই নিব পাৰিছে সেইখন সমাজ শক্তিশালী হৈ পৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমে এতিয়া দেশৰ ক্ৰীড়া জগতখনত উন্নতিৰ জখলাত বগাবলৈ সক্ষম হৈছে। খেলো ইণ্ডিয়া যুথ গেমছত সফলতা লাভ কৰা খেলুৱৈ সকলকো মুখ্যমন্ত্ৰীয়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই ৰাজ্যিক পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা খেলুৱৈ সকলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম কঢ়িয়াই আনিব পৰাকৈ নিজকে প্ৰস্তুত কৰিব তুলিবলৈও আহ্বান জনায়।

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ কুইন ওজা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, ক্ৰীড়া বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেইবাগৰাকী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ উপস্থিত থাকে।

**পুঃডেঃ**
**২৩/০২/২০২০**